**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-10-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত-প্ৰশান্ত মহাসাগৰীয় সমগ্ৰ এলেকাৰ শান্তি আৰু প্ৰগতি সুনিশ্চিত কৰাৰ বাবে মুক্ত, সমৃদ্ধ, একত্ৰিত আৰু নীতি-নিৰ্ধাৰিত ব্যৱস্থাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে।

২। ছিকিমৰ ৰাজধানী গেংটকত আয়োজিত সেনাধ্যক্ষ সন্মিলনত  প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিংহে আজি অংশগ্ৰহণ কৰিব।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি লোকনায়ক জয়প্ৰকাশ নাৰায়ণ আৰু ভাৰতৰত্ন নানাজী দেশমুখৰ জন্ম বাৰ্ষিকী উপলক্ষে তেওঁলোকলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

৪। শ্ৰীলংকাৰ সমাগত সাধাৰণ নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া আজি সামৰণি পৰিব।

*আৰু*

৫। মহিলাৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ডুবাইত হ'বলগীয়া গ্ৰুপ এৰ এখন খেলত আজি অষ্ট্ৰেলিয়া পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত-প্ৰশান্ত মহাসাগৰীয় সমগ্ৰ এলেকাৰ শান্তি আৰু প্ৰগতি সুনিশ্চিত কৰাৰ বাবে মুক্ত, সমৃদ্ধ, একত্ৰিত আৰু নীতি-নিৰ্ধাৰিত ব্যৱস্থাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে। তেওঁ কয় যে, দক্ষিণ চীন সাগৰৰ শান্তি, নিৰাপত্তা আৰু সুস্থিৰতা সমগ্ৰ অঞ্চলটোত শান্তিৰ বাবে অতিকৈ প্ৰয়োজনীয়। লাও গণৰাজ্যৰ ভিয়েন্টিয়ানাত প্ৰধানমন্ত্ৰীয়ে আজি  উনবিংশ পূব এছিয়া শীৰ্ষ সন্মিলনত ভাগ লৈ এইদৰে কয়। বিশ্বৰ বিভিন্ন প্ৰান্তত সম্প্ৰতি দেখা দিয়া সংঘাতৰ পৰিস্থিতি সম্পৰ্কে আলোকপাত কৰি শ্ৰী মোদীয়ে কয় যে, সম্প্ৰসাৰনবাদৰ পৰিৱৰ্তে উন্নয়নক হে প্ৰকৃত লক্ষ্য হিচাপে ল'ব লাগে। সম্প্ৰতি বিশ্বৰ বিভিন্ন প্ৰান্তত চলি থকা সংঘাটৰ বিষয়ে তেওঁ কয় যে, গোলকীয় দক্ষিণৰ দেশসমূহত ই অতি ঋণাত্মক প্ৰভাৱ পেলাইছে। প্ৰত্যেকে ইউৰেছিয়া আৰু পশ্চিম এছিয়া অঞ্চলত শান্তি আৰু সুস্থিৰতা ঘূৰি অহাটো কামনা কৰে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। এইটো যুদ্ধৰ যুগ নহয় আৰু কোনো সমস্যাৰে সমাধান যুদ্ধ ক্ষেত্ৰৰ পৰা নোলায় বুলি শ্ৰী মোদীয়ে দোহাৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে সাৰ্বভৌমত্ব, আঞ্চলিক অখণ্ডতা আৰু আন্তঃৰাষ্ট্ৰীয় আইনৰ প্ৰতি সন্মান অতি প্ৰয়োজনীয় বুলি মত প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰতে এই ক্ষেত্ৰত সকলো ধৰণৰ সহযোগিতা আগবঢ়াই যাব। সন্ত্ৰাসবাদক বিশ্বজনীন শান্তি আৰু সুস্থিৰতাৰ প্ৰতি এটা গভীৰ ভাবুকি বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, সন্ত্ৰাসবাদৰ প্ৰত্যাহ্বানৰ বিৰুদ্ধে যুঁজ দিবলৈ মানৱ সমাজে মিলি কাম কৰিব লাগিব।

তেওঁ কয় যে, ছাইবাৰ, সমূদ্ৰ আৰু মহাকাশৰ দৰে খণ্ডসমূহতো সহযোগিতা শক্তিশালী কৰি তুলিব লাগিব। প্ৰধানমন্ত্ৰীয়ে লগতে য়াগী  ঘূৰ্ণিবতাহত প্ৰভাবিত লোকসকলৰ প্ৰতি সমৱেদনা প্ৰকাশ কৰি কয় যে, অপাৰেচন সদ্ভাৱৰ জৰিয়তে ভাৰতে মানৱীয় সহায় আগবঢ়াইছে।

বিশ্বৰ আগশাৰীৰ নেতাসকলৰ এই মঞ্চই অঞ্চলটোত কৌশলগত আস্থাৰ বাতাবৰণ গঢ়ি তোলাৰ ক্ষেত্ৰত অৱদান আগবঢ়ায় আৰু   অংশগ্ৰহণকাৰী ৰাষ্ট্ৰসমূহক আঞ্চলিক গুৰুত্বৰ বিভিন্ন বিষয় লৈ মত-বিনিময়ৰ সুযোগ প্ৰদান কৰে। পূব এছিয়া শীৰ্ষ সন্মিলনত ১০খন আছিয়ান ৰাষ্ট্ৰৰ উপৰি আঠখন অংশগ্ৰহণকাৰী দেশ ক্ৰমে অষ্ট্ৰেলিয়া, চীন, ভাৰত, জাপান, দক্ষিণ কোৰিয়া, নিউজিলেণ্ড, ৰাছিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ অন্তৰ্ভুক্ত। টিমোৰ লেষ্টেই এইবেলি পৰ্যবেক্ষক দেশ হিচাপে সন্মিলনত ভাগ লৈছে।

০০০০০০০

ছিকিমৰ ৰাজধানী গেংটকত আয়োজিত সেনাধ্যক্ষ সন্মিলনত অংশগ্ৰহণৰ বাবে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আজি পুৱা গেংটকত উপস্থিত হয়। গেংটকত পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা সেনাধ্যক্ষ সন্মিলনখনে জটিল কৌশলগত বিষয়সমূহৰ সমাধান, প্ৰতিৰক্ষা প্ৰস্তুতিৰ বিষয়ে আলোচনা আৰু দ্ৰুত গতিত বিকশিত হোৱা কাৰ্যকৰী প্ৰস্তুতিৰ বৃদ্ধিৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়াব।  উচ্চ পদস্থ সামৰিক বিষয়াসকলৰ এই সমাৱেশে ভাৰতীয় সেনা বাহিনীৰ কাৰ্যকৰী ক্ষমতাক শক্তিশালী কৰাৰ লগতে সম-সাময়িক প্ৰত্যাহ্বানসমূহৰ সৈতে খাপ খুৱাই লোৱাৰ প্ৰতিশ্ৰুতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। দুদিনীয়া এই ভ্ৰমণৰ সময়ত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে পথ প্ৰকল্প আৰু ২০২৩ চনৰ অক্টোবৰ মাহত হিমবাহ হ্ৰদৰ বিস্ফোৰণৰ ফলত হোৱা বানপানীত প্ৰাণ হেৰুওৱা ২২ গৰাকী জোৱানৰ প্ৰতি উৎসৰ্গিত স্মৃতি সৌধ প্ৰেৰণা স্থলো উদ্বোধন কৰিব।

০০০০০০০

লোকনায়ক জয়প্ৰকাশ নাৰায়ণৰ জন্ম বাৰ্ষিকী উপলক্ষে আজি প্ৰদানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে জয়প্ৰকাশ নাৰায়ণৰ সমগ্ৰ দেশ আৰু সমাজলৈ আগবঢ়োৱা অৱদানৰ বিষয়ে প্ৰশংসা কৰে। তেওঁ কয় যে, জয়প্ৰকাশ নাৰায়ণৰ ব্যক্তিত্ব আৰু আদৰ্শ বৰ্তমানৰ নৱ প্ৰজন্মৰ বাবে অনুপ্ৰেৰণাৰ উৎস।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভাৰতৰত্ন নানাজী দেশমুখৰ জন্ম বাৰ্ষিকী উপলক্ষে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যত দিয়া বাৰ্তাত শ্ৰী মোদীয়ে দেশৰ গাঁও সমূহৰ সৱলীকৰণৰ ক্ষেত্ৰত নানাজী দেশমুখৰ সেৱা আৰু ত্যাগৰ প্ৰশংসা কৰে।

০০০০০০০

শ্ৰীলংকাৰ সমাগত সাধাৰণ নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া আজি সামৰণি পৰিব। অহা ১৪ নৱেম্বৰত দ্বীপ ৰাষ্ট্ৰখনত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰপতি নিৰ্বাচনৰ কেইটামান সপ্তাহৰ পাছতেই দেশখনত নিৰ্ধাৰিত সময়তকৈ ১১ মাহ পূৰ্বে বৰ্তমানৰ সংসদখন ভংগ কৰিবলগীয়া হোৱাৰ পৰিপ্ৰেক্ষিতত সাধাৰণ নিৰ্বাচনৰ

প্ৰয়োজনীয়তা আহি পৰে। দেশখনৰ নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে ইতিমধ্যে সৰ্বমুঠ ৩৩টা নিৰ্দলীয় গোট আৰু ৰাজনৈতিক দলে মনোনয়ন দাখিল কৰিছে।

0000000

দুৰ্গা পূজা উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ সকলো নাগৰিকলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, দুৰ্গা পূজাক অশুভ শক্তিৰ ওপৰ শুভ শক্তিৰ জয় হিচাপে পালন কৰা হয় আৰু মা দুৰ্গাক শক্তিৰ প্ৰতীক হিচাপে গণ্য কৰা হয়। এই উৎসৱটোক দুৰ্গাদেৱীৰ প্ৰতি সম্পূৰ্ণৰূপে নিষ্ঠা আৰু সকলো ধৰ্মৰ মাজত ঐক্য আৰু বুজাবুজিৰ প্ৰসাৰৰ এটা উৎসৱ হিচাপে স্বীকৃতি দিয়া হয়। ৰাষ্ট্ৰপতিগৰাকীয়ে কামনা কৰে যে, মা দুৰ্গাই এখন ন্যায়সংগত সংবেদনশীল আৰু সমতাপূৰ্ণ সমাজ গঢ়ি তোলাৰ বাবে যাতে সকলোকে শক্তি, সাহস আৰু দৃঢ়তা প্ৰদান কৰে।

0000000

গ্ৰামাঞ্চলৰ পৰিয়ালসমূহৰ আয় ২০১৬-১৭ বৰ্ষৰ তুলনাত ২০২১-২২ বৰ্ষত ৫৭ শতাংশ বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰাম্য উন্নয়ন বেংক, নাবাৰ্ডৰ সৰ্বভাৰতীয় গ্ৰাম্য বিত্তীয় অন্তৰ্ভুক্তি জৰীপ অনুসৰি গ্ৰামাঞ্চলৰ পৰিয়ালসমূহৰ গড় মাহিলী আয় ২০২১-২২ বৰ্ষত ২০১৬-১৭ বৰ্ষৰ ৮ হাজাৰ ৫৯ টকাৰ পৰা ১২ হাজাৰ ৬৯৮ টকালৈ বৃদ্ধি পাইছে। একেদৰে পৰিয়ালসমূহৰ গড় মাহিলী ব্যয়ো ৬ হাজাৰ ৬০০ টকাৰ পৰা ১১ হাজাৰ ২০০ টকাৰো অধিক হৈছে। জৰীপ অনুসৰি এই সময়ছোৱাত গড় সঞ্চয়ো প্ৰায় ৯ হাজাৰ ১০০ টকাৰ পৰা ১৩ হাজাৰ ২০০ টকালৈ বৃদ্ধি পাইছে। প্ৰায় ৬৬ শতাংশ পৰিয়ালৰ সঞ্চয় ২০১৬-১৭ বৰ্ষৰ তুলনাত ২০২১-২২ বৰ্ষত ৫০ দশমিক ৬ শতাংশ বৃদ্ধি হৈছে।

গ্ৰামাঞ্চলৰ পৰিয়ালসমূহৰ মাজত বীমাৰ সুবিধা গ্ৰহণ কৰা পৰিয়ালৰ সংখ্যাও যথেষ্ট বৃদ্ধি পাইছে। জৰীপৰ তথ্য অনুসৰি কমেও এগৰাকী সদস্যই বীমাৰ সুবিধা গ্ৰহণ কৰা পৰিয়ালৰ অনুপাত ২৫ দশমিক ৫ শতাংশৰ পৰা ৮০ শতাংশৰো অধিক হৈছে।

নাবাৰ্ডৰ জৰীপত লগতে গ্ৰামাঞ্চলৰ খেতিয়কসকলক বিত্তীয় ব্যৱস্থাত সামৰি লোৱাৰ ক্ষেত্ৰত কিষাণ ক্ৰেডিট কাৰ্ডৰ ফলপ্ৰসূতাৰ বিষয়ে আলোকপাত কৰা হৈছে। পেন্সন ব্যৱস্থাত সামৰি লোৱা পৰিয়ালৰ সংখ্যাও প্ৰায় ১৯ শতাংশৰ পৰা ২৩ দশমিক ৫ শতাংশলৈ বৃদ্ধি পাইছে বুলি জৰীপত উল্লেখ কৰা হৈছে। ইয়াৰ বিপৰীতে এই সময়ছোৱাত বকেয়া ঋণৰ অনুপাত ২০১৬-১৭ বৰ্ষৰ প্ৰায় ৪৭ শতাংশৰ পৰা ৫২ শতাংশলৈ বৃদ্ধি পাইছে।

0000000

মহিলাৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ডুবাইত হ'বলগীয়া গ্ৰুপ এৰ এখন খেলত আজি অষ্ট্ৰেলিয়া পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে ৱেষ্ট ইণ্ডিজে যোৱা নিশা ইউ এ ইৰ শ্বাৰজাহত অনুষ্ঠিত এখন খেলত বাংলাদেশক ৮ উইকেটত পৰাস্ত কৰে। বাংলাদেশে খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত আঠটা উইকেটৰ বিনিময়ত ১০৩ ৰাণ সংগ্ৰহ কৰে। বাংলাদেশৰ হৈ অধিনায়ক নিগাৰ চুলতানাই ৪৪টা বলত ৩৯ ৰাণ সংগ্ৰহ কৰে। ৱেষ্ট ইণ্ডিজৰ কৰিশ্মা ৰামহাৰেকে চাৰিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে ১৩ অভাৰ ৫টা বলত দুটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ৱেষ্ট ইণ্ডিজৰ অধিনায়ক মেথিউজ আৰু ষ্টেফনি টেইলৰে অপেনিং যুটীত মাত্ৰ ৭ অভাৰ আৰু তিনিটা বলত ৫২ ৰাণ সংগ্ৰহ কৰি দলৰ জয় নিশ্চিত কৰে। ৰামহাৰেক প্লেয়াৰ অব দ্য মেচ

হিচাপে ঘোষণা কৰা হয়। ৱেষ্ট ইণ্ডিজ এই জয়ৰ সুবাদত ছেমি ফাইনেলত প্ৰৱেশ কৰাৰ সম্ভাৱনা নিশ্চিত হৈ পৰিছে।

০০০০০০০

স্পেইনত অনুষ্ঠিত ভেলেন্সিয়া অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমি ফাইনেলত আজি সন্ধিয়া ভাৰতৰ জীৱন নেডুচাঝিয়ান আৰু বিজয় সুন্দৰ প্ৰশান্ত, পোলেণ্ডৰ পিঅ'ট্ৰো আৰু কৰোল ড্ৰেজেউইক্কিৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ছয় বাজি পাঁচ মিনিটত আৰম্ভ হ'ব। ইয়াৰ পূৰ্বে চতুৰ্থ বাছনিৰ ভাৰতীয় যুটীটোৱে কালি কোৱাৰ্টাৰ ফাইনেলত ৰোমানিয়াৰ মিৰ্ছিয়া আলেকজেন্দ্ৰু জেকন আৰু বেলাৰুচৰ ইভান লীঅ'টাৰেভিচৰ যুটীটোক ৬-০, ৬-২ পোনপটীয়া ছেটত পৰাস্ত কৰিছিল।

০০০০০০০

**সমাপ্ত**